তোমালোকৰ মাজত সর্বশ্রেষ্ঠ হৈছে সেইজন ব্যক্তি, যিয়ে নিজে কোৰআন শিকে আৰু আনকো শিকায়।

উচমান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজত সর্বশ্রেষ্ঠ হৈছে সেইজন ব্যক্তি, যিয়ে নিজে কোৰআন শিকে আৰু আনকো শিকায়।"
[ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহৰ দৃষ্টিত উৎকৃষ্ট মুছলিম হৈছে সেইজন, যিয়ে কোৰআন শিকে তথা তিলাৱত কৰে, মুখস্থ কৰে, তাফছীৰ তথা অৰ্থ বুজিবলৈ যত্ন কৰে, এইদৰে যিয়ে আমল কৰাৰ লগতে কোৰআনৰ জ্ঞান আনকো শিকায়।

https://sunnah.global/hadeeth/as/show/5913